# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2025
**Time :** 19-10   Hrs

# *Assamese Evening Bulletin*

## ***Headlines***

১। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে দেশৰ নাগৰিকসকল জাতীয়তাবাদৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা অবিহনে কোনো এখন দেশৰেই বিকাশ সম্ভৱ নহয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১২ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ দিল্লীৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৩। আম আদমী পাৰ্টি শাসনাধিস্থিত দিল্লী চৰকাৰে এটা দশক কেন্দ্ৰৰ সৈতে যুঁজ কৰিয়েই অপচয় কৰিলে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযোগ উত্থাপন কৰিছে।

৪। বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদ - চি এছ্ আই আৰে বিষ উপশম আৰু জ্বৰ কম কৰাৰ ঔষধ হিচাপে বহুলভাৱে ব্যৱহৃত পেৰাচিটামল উৎপাদনৰ এটা থলুৱা প্ৰযুক্তি বিকশাই তুলিবলৈ সক্ষম হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে  ঘোষণা কৰিছে। ***আৰু***

৫। ভাৰতৰ বিশেষভাৱে সক্ষম ক্ৰিকেট পৰিষদৰ ৰাষ্ট্ৰীয় বাচনি কমিটিয়ে আজি শাৰিৰীকভাৱে বাধাগ্ৰস্ত ছেম্পিয়নছ্ ট্ৰফীৰ বাবে ১৭ জনীয়া ভাৰতীয় দলটোৰ নাম ঘোষণা কৰিছে।

০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে দেশৰ নাগৰিকসকল জাতীয়তাবাদৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা অবিহনে কোনো এখন দেশৰেই বিকাশ সম্ভৱ নহয়। দিল্লীত আজি এন চি চি গণৰাজ্য দিৱস শিবিৰ মুকলি কৰি শ্ৰীধনখড়ে কয়, যে ভাৰতৰ উন্নয়নৰ বাবে জাতীয়তাবাদ সংস্থা আৰু ৰাষ্ট্ৰ প্ৰথম দৃষ্টিভংগীৰ প্ৰয়োজন। উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ ৰূপান্তৰ ৫ টা বুনিয়াদি স্তম্ভৰ ওপৰত নিৰ্ভৰ কৰে। সেইসমূহ হৈছে সামাজিক একতা, তৃণমূল পৰ্যায়ৰ পৰা দেশপ্ৰেমৰ প্ৰমূল্য যোগাই তোলা, পৰিবেশৰ প্ৰতি সজাগতা, আত্মনিৰ্ভৰশীলতা আৰু সামাজিক দায়বদ্ধতা। উপৰাষ্ট্ৰপতিগৰাকীয়ে জনসাধাৰণক বিশেষকৈ যুৱক যুৱতীসকলক ভাৰতবৰ্ষক অনুশাসন আৰু নীতি সমৃদ্ধ গৰ্বিত ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰ ঘটাবলৈ এই বুনিয়াদি বিষয়কেইটা মানি চলিবলৈ আহ্বান জনায়। শ্ৰীধনখড়ে এন চি চিৰ অৱদানৰ বিষয়ে উল্লেখ কৰি কয়, যে এই সংগঠনটোৱে অনুশাসন মানি চলা এটা শ্ৰেণীৰ সৃষ্টি কৰি বিকাশৰ পথেৰে অগ্ৰসৰ হবলৈ প্ৰেৰণা দি আহিছে। চলিত বছৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ১৭ টা এন চি চি সঞ্চালকালয়ৰ ৯১৭ গৰাকী ছোৱালীকে ধৰি দুহেজাৰ ৩ শ গৰাকী কেডেটে গণৰাজ্য দিৱসৰ কুছকাৱাজত অংশ লব বুলি তেওঁ প্ৰকাশ কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১২ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ দিল্লীৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ মূল উদ্দেশ্য হ'ল আঞ্চলিক সংযোগ ব্যৱস্থাৰ উন্নতি সাধনেৰে যাতায়াত ব্যৱস্থা সুচল কৰি তোলা। প্ৰধানমন্ত্ৰী মোদীয়ে চাহিবাবাদ ৰেল ষ্টেছনৰ পৰা নিউ অশোক নগৰ ৰেল ষ্টেছনলৈ নমো ভাৰত ৰেলেৰে এটা যাত্ৰা সম্পূৰ্ণ কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লী চহৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা উল্লেখযোগ্য উপহাৰ লাভ কৰিছে আৰু ইয়াৰ দ্বাৰা চহৰীয়া যাতায়াত ব্যৱস্থাৰ যথেষ্ট সম্প্ৰসাৰণ ঘটিছে। তেওঁ চাহিবাবাদ ৰেল ষ্টেছনৰ পৰা নিউ অশোক নগৰ ৰেল ষ্টেছনলৈ নমো ভাৰত ৰেলগাড়ীৰে পূৰ্বে কৰা যাত্ৰাৰ কথা স্মৰণ কৰে যিয়ে ভাৰতৰ বিকশিত চহৰসমূহত ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ ভৱিষ্যত প্ৰতিফলিত কৰিছে। তেওঁ লগতে নমো ভাৰত প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে দিল্লী আৰু মীৰাট পথত যাতায়াতৰ ক্ষেত্ৰত চকুত লগা পৰিৱৰ্তন পৰিলক্ষিত হ'ব বুলি মন্তব্য কৰে। তেওঁ লগতে ভাৰতৰ মেট্ৰ' ৰেল নেটৱৰ্কে বৰ্তমান এহেজাৰ কিলোমিটাৰলৈ সম্প্ৰসাৰণ হৈছে বুলি উল্লেখ কৰে আৰু ইয়াক চৰকাৰৰ এটা উল্লেখযোগ্য সাফল্য বুলিও অভিহিত কৰে। শ্ৰীমোদীয়ে কয়, যে ২০১৪ চনত দেশে তেওঁৰ চৰকাৰক শাসনৰ দায়িত্ব অৰ্পন কৰাৰ সময়ত ভাৰত মেট্ৰ' যোগাযোগৰ ক্ষেত্ৰত বিশ্বৰ শীৰ্ষৰ দহখন দেশৰ ভিতৰত নাছিল আৰু বিগত দহ বছৰত মেট্ৰ' নেটৱৰ্কৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয়, যে তেওঁলোকৰ চৰকাৰৰ বৰ্তমানৰ কাৰ্যকালত মেট্ৰ' নেটৱৰ্কৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ দেশলৈ উন্নীত হ'ব।

প্ৰধানমন্ত্ৰীয়ে কয়, যে বিগত দহ বছৰত চৰকাৰে আন্তঃগাথনি উন্নীতকৰণত যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। তেওঁ কয়, যে দহ বছৰ পূৰ্বে বাজেটত আন্তঃগাথনিৰ বাবে প্ৰায় ২ লাখ কোটি টকা বাজেট ধাৰ্য কৰা হৈছিল আৰু বৰ্তমান এই পৰিমাণ এঘাৰ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। তেওঁ আৰু কয়, যে আধুনিক যোগাযোগ ব্যৱস্থা, বিশেষকৈ চহৰসমূহৰ মাজৰ যোগাযোগ অধিক উন্নত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বৰ্তমান দিল্লীৰ পৰা আন চহৰলৈ এক্সপ্ৰেছ ৱেৰ জৰিয়তে সংযোগ স্থাপিত হৈছে যাৰ বাবে দিল্লী চহৰ বিভিন্ন ঔদ্যোগিক স্থানৰ সৈতে সংযোজিত হ'ব পাৰিছে। উল্লেখযোগ্য যে, এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল, দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা আৰু মুখ্যমন্ত্ৰী আতিশীও উপস্থিত আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ৰোহিনীত ১৮৫ কোটি টকা ব্যয়সাপেক্ষে নতুনকৈ নিৰ্মাণ হ'বলগীয়া কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানৰ অত্যাধুনিক ভৱনৰ আধাৰশিলাও স্থাপন কৰে। এই ভৱনৰ জৰিয়তে জনসাধাৰণক অত্যাধুনিক স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰা হ'ব।

০০০

আম আদমী পাৰ্টী শাসনাধিস্থিত দিল্লী চৰকাৰে এটা দশক কেন্দ্ৰৰ সৈতে যুঁজ কৰিয়েই অপচয় কৰিলে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযোগ উত্থাপন কৰিছে। শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় ৰাজধানীখনত ভৱিষ্যতৰ মহানগৰী হিচাপে পৰিৱৰ্তন কৰিবলৈ বিজেপিক এটা সুযোগ প্ৰদান কৰাৰ বাবে দিল্লীৰ জনসাধাৰণক আহ্বান জনায়। নতুন দিল্লীৰ ৰোহিনীৰ জাপানীজ পাৰ্কত এটা ৰেলীত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে পৰৱৰ্তী ২৫ বছৰ দিল্লীৰ উন্নয়নৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ কয়, যে আহিবলগীয়া এই ২৫ টা বছৰে দেশক বিকশিত ৰাষ্ট্ৰলৈ উন্নীত হোৱাটো প্ৰত্যক্ষ কৰিব। প্ৰধানমন্ত্ৰীয়ে দিল্লীক বিকশিত ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজধানী হিচাপে বিকশাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে যোৱা বছৰ দিল্লীৰ সুৰক্ষা, স্বাস্থ্যসেৱা আৰু বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বাবে কেন্দ্ৰৰ বিজেপি চৰকাৰে ৭৫ হাজাৰ কোটিৰো অধিক টকা আবণ্টন দিছে। শ্ৰীমোদীয়ে কয়, যে দিল্লীক দেশৰ চহকী ঐতিহ্য প্ৰতিফলিত কৰা

এখন ৰাজধানীলৈ পৰিৱৰ্তন কৰাটোৱেই ইয়াৰ লক্ষ্য। তেওঁ কয়, যে দিল্লীক চহৰ অঞ্চলৰ বিকাশৰ এনে এটা আৰ্হিৰ প্ৰয়োজন যিয়ে সমগ্ৰ বিশ্বৰ বাবে এটা উদাহৰণ হ'ব পাৰে। শ্ৰীমোদীয়ে কয়, যে বিজেপিক ৰাজ্য আৰু কেন্দ্ৰ উভয়তে শাসনৰ সুযোগ প্ৰদান কৰিলেহে এয়া সম্ভৱ হ'ব।

দিল্লীত বিগত ১০ বছৰত ৰাজ্য চৰকাৰে যিধৰণে কাম কৰিছে সেয়া সম্পূৰ্ণ আদৰ্শহীন আৰু কোনো দুৰ্যোগতকৈ কম নহয় বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান দিল্লীৰ জনসাধাৰণে এই কথা বাৰুকৈয়ে উপলব্ধি কৰিছে আৰু তেওলোকে ইয়াৰ পৰিৱৰ্তনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বৰ্তমান দিল্লীয়ে বিকাশৰ টৌ চাব বিচাৰে আৰু ৰাষ্ট্ৰীয় ৰাজধানীখনৰ জনসাধাৰণে বিজেপিৰ ওপৰত সম্পূৰ্ণ আস্থা আছে যিয়ে সুশাসনৰ জৰিয়তে সেৱাৰ মনোবৃত্তিৰে তেওঁলোকৰ সপোন বাস্তৱায়িত কৰাৰ হকে কাম কৰি আছে।

০০০

বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদ - চি এছ আই আৰে বিষ উপশম আৰু জ্বৰ কম কৰাৰ ঔষধ হিচাপে বহুলভাৱে ব্যৱহৃত পেৰাচিটামল উৎপাদনৰ এটা থলুৱা প্ৰযুক্তি বিকশাই তুলিবলৈ সক্ষম হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডং জীতেন্দ্ৰ সিঙে ঘোষণা কৰিছে। নতুন দিল্লীত আজি বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা বিভাগৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে পেৰাচিটামল উৎপাদনৰ ক্ষেত্ৰত দেশক আত্মনিৰ্ভৰশীল কৰা আৰু এই ঔষধবিধ উৎপাদনৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ আমদানীৰ ক্ষেত্ৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাই এই উদ্ভাৱনৰ মূল উদ্দেশ্য।

০০০

ভাৰতৰ বিশেষভাৱে সক্ষম ক্ৰিকেট পৰিষদৰ ৰাষ্ট্ৰীয় বাচনি কমিটিয়ে আজি শাৰিৰীকভাৱে বাধাগ্ৰস্ত ছেম্পিয়নছ ট্ৰফীৰ বাবে ১৭ জনীয়া ভাৰতীয় দলটোৰ নাম ঘোষণা কৰিছে। অহা ১২ জানুৱাৰীৰ পৰা শ্ৰীলংকাত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিক্ৰান্ত ৰবীন্দ্ৰ কেনিক ভাৰতীয় দলৰ অধিনায়ক হিচাপে বাচনি কৰা হৈছে। ২০১৯ চনত পোনপ্ৰথমবাৰৰ বাবে শাৰিৰীকভাৱে বাধাগ্ৰস্ত খেলুৱৈসকলৰ এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এইবাৰৰ এই প্ৰতিযোগিতাৰ প্ৰথম দিনা ভাৰতে পাকিস্তানৰ বিৰুদ্ধে নিজৰ অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন ২১ জানুৱাৰীত অনুষ্ঠিত হ'ব।

০০০

ইণ্ডিয়ান চুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ আজি নতুন দিল্লীৰ জৱাহৰলাল ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ এফ চি - কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ লীগ পৰ্যায়ত এতিয়ালৈকে দুয়োটা দল ৩ বাৰকৈ মুখামুখি হৈছে। ইয়াৰ ভিতৰত পাঞ্জাৱ এফ চিয়ে দুখনত আৰু কেৰালা ব্লাষ্টাৰ্ছে এখনত জয়লাভ কৰে। পাঞ্জাৱ এফ চিয়ে ১২ খন খেলৰ পৰা ১৮ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত অষ্টম স্থান আৰু কেৰালা ব্লাষ্টাৰ্ছে ১৪ খন খেলৰ পৰা ১৪ পইণ্ট লাভ কৰি দশম স্থানত আছে। ২০২৪-২৫ বৰ্ষৰ আই এছ এল ফুটবল প্ৰতিযোগিতাত ১৩ টা দলে অংশগ্ৰহণ কৰিছে। অহা ১২ মাৰ্চত লীগ পৰ্যায়ৰ খেলসমূহ অন্ত পৰিব। প্লে অফ পৰ্যায়ৰ খেলসমূহৰ দিন পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

০০০

হকী ইণ্ডিয়া লীগত আজি ৰুৰকেলাৰ বিৰচা মুণ্ডা ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী বেদান্ত কলিংগ লেন্সাৰ্ছে - চুৰমা হকী ক্লাবৰ বিৰুদ্ধে খেলি আছে। খেলখন সন্ধিয়া ছয় বজাত আৰম্ভ হৈছে। পূৰ্বৰ খেলখনত লেন্সাৰ্ছ শ্বুট আউটৰ জৰিয়তে তামিলনাডুৰ হাতত পৰাজিত হৈছিল আৰু বৰ্তমান ১ পইণ্টেৰে এইচ আই এল পইণ্টৰ নিম্নস্থানত আছে। দুই পইণ্টেৰে বৰ্তমান ষষ্ঠ স্থানত থকা চুৰমা এইচ চিয়ে প্ৰথম জয়ৰ বাবে চেষ্টা চলাব। আজিৰ দ্বিতীয়খন খেলত নিশা ৮ বাজি ১৫ মিনিটত তামিলনাডু ড্ৰেগন-ইউ পি ৰুদ্ৰাছৰ মুখামুখি হব। ভাৰতীয় হকী লীগৰ খেলসমূহ যোৱা ২৮ ডিচেম্বৰত আৰম্ভ হৈছিল আৰু প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ খেলসমূহ ১৮ জানুৱাৰীত সামৰণি পৰিব।

০০০

সমাপ্ত